# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-02-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::::**

যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত ভকত-বৈষ্ণৱসকলক আধ্যাত্মিকতাৰ লগতে গুৰুজনাৰ বৌদ্ধিক আৰু সাংস্কৃতিক আন্দোলনক আগবঢ়াই নিবলৈ আহ্বান জনায়। অধিৱেশনত আজি পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ আৰু নাম প্ৰসংগৰে কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ পতাকা উত্তোলন কৰিব। কাইলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

০০০০

গুণগত শিক্ষাৰ মান নিশ্চিতকৰণৰ উদ্দেশ্যে যোৱা ৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ আজি সামৰণি পৰে। এই পৰ্যায়ত ৰাজ্যৰ ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি লোৱা হৈছিল। নলবাৰী জিলাৰ অভ্যাসন বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে। এই পৰ্যায়ত জিলাখনৰ এহেজাৰ ৬৫ খন বিদ্যালয়ৰ ৮৭ হাজাৰ ৪৯৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হয়। বিভিন্ন বিভাগৰ ৪৭৩ গৰাকী বহিঃমূল্যায়কে জিলাখনৰ বিভিন্ন বিদ্যালয়ত গুণোৎসৱত ভাগ লয়।

গোৱালপাৰা জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ শিক্ষাখণ্ডৰ এহেজাৰ ৫৭৪ খন বিদ্যালয়ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়নৰত ১ লাখ ৬৩ হাজাৰ ৮৭২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ৬৭৬ গৰাকী বহিঃমূল্যায়কে গুণগত মান নিৰ্ণয় কৰে।

তৃতীয় পৰ্যায়ত ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত গুণোৎসৱ অনুষ্ঠিত হয়। মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰে।

০০০০

কাৰ্বি আংলং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ উদ্যোগত আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ সহযোগত আজি কাৰ্বি আংলং জিলাৰ ডিফুৰ মাজ বজাৰত ভূমিকম্পৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ত এখন বাটৰ নাট অনুষ্ঠিত কৰা হয়। সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২ৰ অংশ হিচাপে আয়োজন কৰা এই বাটৰ নাটত

বিশিষ্ট অভিনেতা ৰাজীৱ ক্র আৰু সতীৰ্থ শিল্পীসকলে অভিনয় কৰে। বাটৰ নাটৰ মাধ্যমেৰে জনসাধাৰণক পলিথিনৰ বেগ ব্যৱহাৰৰ পৰা বিৰত থাকি কিদৰে পৰিৱেশ সংৰক্ষণ কৰিব পাৰি সেই বিষয়টো সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত **ৰাইজৰ জীৱিকাৰ বাবে বাঁহ সম্পদৰ বিকাশ** শীৰ্ষক প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰ্যালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই প্ৰশিক্ষণত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কৃষি, মীন, ভূমি সংৰক্ষণ, পৰ্যটন আদি বিভাগ তথা বিভিন্ন প্ৰতিষ্ঠানৰ মুঠ ২৪ গৰাকী বিষয়াই অংশগ্ৰহণ কৰে। এই কৰ্মশালাত দেশৰ বাঁহ উৎপাদন খণ্ডত আলোকপাত কৰাৰ লগতে বাঁহৰ আনুবংশিক উন্নয়ন ব্যৱস্থা, জীৱিকাৰ বাবে বাঁহ, বাঁহ খেতিৰ জড়িয়তে খনিৰ অৱনমিত ভূমিৰ উন্নতি, গৃহ নিৰ্মাণত বাঁহ আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়া হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে প্ৰশিক্ষাৰ্থীসকলে মাজুলী ভ্ৰমণ কৰি চামগুৰি সত্ৰৰ মুখা শিল্পকলাৰ শৈলী সন্দৰ্ভত পদ্মশ্ৰী সন্মানেৰে সন্মানিত মুখাশিল্পী হেমচন্দ্ৰ গোস্বামীৰ সৈতে মত বিনিময় কৰে।

০০০০

উমৰাংছুৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰুজু কৰা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনক লৈ আজি অনুষ্ঠিত শুনানিত ৰাজ্য চৰকাৰে এখন শপতনামা দাখিল কৰে। অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই দাখিল কৰা এই শপতনামাখনত সংশ্লিষ্ট এলেকাসমূহত অবৈধ কয়লা খনন ৰোধ কৰাৰ বাবে চৰকাৰে গ্ৰহণ  কৰা পদক্ষেপসমূহ সন্নিবিষ্ট কৰা হৈছে।

০০০০

শিৱসাগৰত আজিৰে পৰা খেল মহাৰণ ২ পইণ্ট জিৰো জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত এই উপলক্ষে আয়োজিত উদ্বোধনী অনুষ্ঠানত অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে শিৱসাগৰ জিলাৰ শিৱসাগৰ, নাজিৰা আৰু ডিমৌ সমষ্টিৰ প্ৰায় এহেজাৰ ৫শ খেলুৱৈয়ে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ৩ দিনীয়াকৈ আয়োজিত জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ পৰহিলৈ সামৰণি পৰিব।

ইপিনে, ওদালগুৰিত জিলা পৰ্যায়ৰ খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ যোৱা ৪ ৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হয়।  জিলাখনৰ আঠশৰো অধিক খেলুৱৈয়ে ফুটবল, ভলীবল, দবা, কাবাডী, চাইক্লিঙৰ লগতে বিভিন্ন এথলেটিক্স প্ৰতিযোগিতাত প্ৰতিদ্বন্দিতা আগবঢ়ায়।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত ৩ দিনীয়া ভাৰত বোধ সন্মিলন মুকলি কৰে। ভাৰতৰ চহকী সভ্যতা সংস্কৃতিৰ গভীৰ অধ্যয়ন তথা বিশ্বৰ শৈক্ষিক ক্ষেত্ৰত ইয়াৰ অৱদানৰ বিষয়ে  পৰ্যালোচনা কৰিবলৈ দেশৰ কেইবাটাও আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানে এই সন্মিলনৰ আয়োজন কৰিছে। অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে জ্ঞানৰ নিৰবধি কেন্দ্ৰৰূপে ভাৰতৰ ভূমিকাৰ ওপৰত

আলোকপাত কৰি কয়, যে দেশৰ প্ৰজ্ঞা সম্পৰ্কিত পৰম্পৰাই সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰিছে। বিশ্বৰ অন্যান্য প্ৰান্ত অজ্ঞতাৰ আন্ধাৰত বুৰ গৈ থকাৰ সময়তে ভাৰতৰ ঋষি-মুনিসকলে সৰ্বোচ্চ পৰ্যায়ৰ জ্ঞানৰ প্ৰসাৰ কৰিছিল বুলিও তেওঁ মন্তব্য কৰে। শ্ৰীআচাৰ্যই কয়, যে ভাৰত বোধ সন্মিলনৰ বিভিন্ন সত্ৰসমূহত দেশৰ সভ্যতা, সংস্কৃতি, শিক্ষা, অৰ্থনীতি, বুৰঞ্জী, বিজ্ঞান আৰু আন বহুতো দিশ সন্দৰ্ভত হবলগীয়া পৰ্যালোচনাসমূহে আমাৰ দেশৰ বৌদ্ধিক আৰু সাংস্কৃতিক ঐতিহ্যক সামগ্ৰিকভাৱে প্ৰতিফলিত কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যপালগৰাকীৰ লগতে ইশান বোধ ন্যাসৰ অধ্যক্ষ অধ্যাপক ৰাজনীশ কুমাৰ মিশ্ৰ, গীতাচাৰ্য্য শ্ৰী পুৰন্দৰ  বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

সমাপ্ত